

# আদি শক্তি

THE SHEROES

সম্পাদনা

জিতেন্দ্র ডেকা

# আদি শক্তি
# THE SHEROES

সম্পাদনা

ডাঃ জিতেন্দ্র ডেকা

পূর্বায়ণ
প্রকাশন

*Aadi Shakti* **The Sheroes**
A collection of articles edited by Dr. Jitendra Deka and Published by
Purbayon Publication, Guwahati-14, Assam
**Email- purbayonindia21@gmail.com**
Edition: Novemver, 2017 Rs. 160 /-

# আদি শক্তি
# The Sheroes

ISBN- 978-93-87263-05-5

**প্ৰথম প্ৰকাশঃ**
নভেম্বৰ, ২০১৭
**গ্ৰন্থস্বত্বঃ**
সম্পাদক
মূল্যঃ ১৬০ টকা
**বেটুপাতঃ**
সঞ্জীৱ বৰা

**প্ৰকাশকঃ**
**পূৰ্বায়ণ প্ৰকাশন**
সাতমাইল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমীপত
গুৱাহাটী-১৪, অসম
Email- purbayonindia21@gmail.com
Website- purbayon.com
✆ ৯৮৬৪৪২২১৫৭

*All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted in any form or by any means, electronic, mechanical, photocopying, recording or otherwise, without the prior permission of the copyright owner. Editor is not responsible for any type of data and discussion inside the articles published.*

ISBN : 978-93-87263-05-5

# ৰাজনীতিৰ ইতিহাসত নাৰী— এটি অৱলোকন

ড° সাবিত্ৰী শইকীয়া

ঋকবেদৰ উপমাত ঋতযুক্ত তিনিজনী নাৰী দিনত তিনিবাৰ সভাত আগমন কৰা, সভাত থকা নাৰীয়ে সভাৰ উপযোগী বাক্য প্ৰয়োগ কৰাৰ (১-১৬৭।৩) উদাহৰণ পোৱা যায়। মুদ্গলিনী, বিশপলা, বধ্ৰিমতী, শশীয়সী আদি ৰণাংগনাই যুদ্ধত আহত অথবা বিজয়িনী হোৱাৰ উদাহৰণো ঋকত পোৱা যায়। ৰাজনীতি সংক্ৰান্ত ভিন্ন বিষয়ত নহলেও এই দুই দিশত নাৰীৰ যোগদান ঋকবেদত বিদ্যমান যদিও পৰৱৰ্তী উপনিষদ, পুৰাণ, মহাকাব্য, কাব্য, গাথা আদিত কিছুসংখ্যকহে পোৱা যায়।

প্ৰাক্ স্বৰাজ কালত চুলতানা ৰেজিয়া, চাঁদবিবি নুৰজাহান, অহল্যাবাঈ হোলকাৰৰ দৰে ৰাজবংশীয় আৰু অভিজাত পৰিয়ালৰ কেইগৰাকীমান মহিলাৰ বাহিৰে সৰ্বসাধাৰণ মহিলাৰ ৰাজনীতিত অংশগ্ৰহণ প্ৰায় নাছিলেই বুলিব পাৰি।

গান্ধীজীৰ আহ্বানত যেতিয়া সমগ্ৰ দেশৰ জনতাই প্ৰাণ-আহুতি দিবলৈ আগুৱাই আহিছিল সৰ্বস্তৰৰ মহিলাই আন্দোলনৰ অংশীদাৰ

আছিল। "শ শ নাৰীয়ে ৰাজনৈতিক গণআন্দোলনত অংশ লোৱা সুৰাৰ দোকানত পিকেটিং কৰা, (সুৰা বেচিবলৈ বাধা দিয়া) বিক্ষোভ প্ৰদৰ্শনৰ শোভাযাত্ৰাত যোগ দিয়া, কাৰাবৰণ কৰা, লাঠি আৰু গুলীৰ সন্মুখীন হোৱা দৃশ্যবোৰ ভাৰতৰ সমগ্ৰ ইতিহাসত অদ্বিতীয় আছিল।[১]এনে স্বাধীনতা সংগ্ৰামী নাৰীৰ প্ৰতি গৱেষিকা বীণা মজুমদাৰে লিখিছে— 'এই বিষয়ে কোনো সন্দেহ নাই যে আইন অমান্য আন্দোলনত নাৰীৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণ (স্ত্ৰী পুৰুষৰ সমান অধিকাৰৰ কোনো প্ৰগতিবাদী মতবাদৰ পৰা নহয়)। শেষ পৰ্যন্ত কংগ্ৰেছ দলৰ ভিতৰে আৰু পিছতো সংবিধান পৰিষদত স্ত্ৰী-পুৰুষৰ সমান অধিকাৰৰ সপক্ষে শক্তি বৃদ্ধি কৰিছিল। তাৰবাবেই এই প্ৰশ্ন বা তাৰ তাৎপৰ্যলৈ কোনো বিতৰ্কও আৰু নহ'ল।[২]

ঘৰুৱা দাসত্ব, পুৰুষতন্ত্ৰৰ পিষ্টন এইবোৰৰ পৰা মুক্তিৰ বাবে স্বাধীনতা আহৰণ ভাৰতীয় নাৰীৰ বাবে যিদৰে অত্যাৱশ্যকীয় বোধ হৈছিল তেনেদৰে তাক পাবলৈ ভোটাধিকাৰ অৰ্জনেৰে প্ৰথম ৰাজনৈতিক সমঅধিকাৰ লাভ এপাট অস্ত্ৰ হৈ পৰিছিল।[৩]

অৱশেষত সময়ৰ মূৰকত সৰোজিনী নাইডুৰ নেতৃত্বত মাৰ্গাৰেট কাজিন, এনি বেচান্ট, ডৰোথি জিনাৰা দেশাই, উমা নেহেৰু, ৰমাবাঈ ৰাণাতে, অবলা বোস আদি মহিলাৰ ৰাজনীতিৰ জগতত আগমনে দূষিত আৱহাওৱা সুস্থ কৰা আৰু সন্তানৰ স্বাস্থ্যকৰ বিকাশত সহায় হোৱাৰ দাবীত আলেকজেণ্ডাৰ মুডিমেন কমিটিৰ সহায়তাত ১৯২৫ চনত লিংগ বৈষম্যহীন ভোটাধিকাৰ প্ৰতিষ্ঠা হ'ল।[৪]

ভাৰতীয় নাৰীৰ ভোটাধিকাৰ অৰ্জনেই প্ৰথম ৰাজনৈতিক অধিকাৰ এই সম্পৰ্কত আলোচনা কৰিলে কেইটিমান গুৰুত্বপূৰ্ণ বিষয় এৰাই চলিলে নহ'ব।সেই সময়ত সংগঠিত নাৰীৰ চাপ অবিহনে ভোটাধিকাৰ নাৰীৰ বাবেইমান সহজ নাছিল।

অৱশ্যে ইয়াৰ দাবী অভিজাত মহিলাৰ বাবে প্ৰতিষ্ঠিত ক্ষমতা কাঠামোত স্থান লাভৰ বাহিৰে একো নহয় আৰু ইয়াক প্ৰতিষ্ঠা কৰি লেখিকা বীণা মজুমদাৰে কয় যে এই দাবীৰ সপক্ষে তেওঁলোকেই মুখৰ হৈ উঠিছিল যাৰ ওচৰত সামাজিক ৰাজনৈতিক কাঠামোটি 'নাৰীৰ নাৰী হিচাপে অংশগ্ৰহণৰ পৰা বিৰত ৰাখিছে, সেইসময়ত সমাজৰ নিয়ন্ত্ৰক শ্ৰেণীৰ পৰা তেওঁলোক আহিছিল যি শ্ৰেণীয়ে তেওঁলোকক অনাকৃষ্ট বিশেষণেৰে ভূষিত কৰিছে অৰ্থাৎ ৰাজনৈতিক ক্ষমতাত অংশগ্ৰহণ আৰু প্ৰতিনিধিত্বকৰণৰ পৰা বঞ্চিত ৰাখিছে।'[৩] এইসকলৰ ভিতৰত বিশেষকৈ নেতৃস্থানীয় সৰোজিনী নাইডুকে মুখ্য কৰি মাৰ্গাৰেট কাজিন্স, এনি বেচাণ্ট, ডৰোথি জিনাৰা দেশাই, উমা নেহেৰু, ৰমাবাঈ ৰাণাডে, অবলা বোস আদিয়ে ছেক্ৰেটাৰী মণ্টাগুক সাক্ষাৎ কৰে আৰু নাৰী ভোটৰ সমঅধিকাৰৰ দাবী জনায়।[৫]

ভাৰতবৰ্ষত ব্ৰিটিছে উপনিবেশিক শক্তিৰূপেই অহা নাছিল। পশ্চিমীয়া ভাব আদৰ্শৰে প্ৰচাৰকৰ্তা হৈ আহিছিল। শিল্পযুগে ৰাজতন্ত্ৰ ভাঙি গণতন্ত্ৰ আনিলে। কৃষিকেন্দ্ৰিকতাৰ ঠাইত শিল্প কেন্দ্ৰিকতাক টনকিয়াল কৰিলে, গোষ্ঠীকেন্দ্ৰিকতাতকৈ ব্যক্তি মনস্কতাক, যৌথ

পৰিয়াল ভাঙি একক পৰিয়ালৰ সৃষ্টি, সামন্ততন্ত্ৰৰ পৰা পুঁজিবাদলৈ পৰিবৰ্তন আনিলে। ইতিমধ্যে আমেৰিকাত নাৰীৰ অধিকাৰ প্ৰতিষ্ঠাৰ আন্দোলন আৰম্ভ হৈছে বিভিন্ন সভা-সমিতি গঠনেৰে তাৰেই প্ৰভাৱত ব্ৰিটিছে আনিলে ভাৰতলৈ স্ত্ৰী শিক্ষাৰ প্ৰচাৰ-প্ৰতিষ্ঠা-প্ৰসাৰ। ১৮৪৮ চনৰে জুলাই মাহত 'চেনেকা ফলচ, কনভেনচনে' কঢ়িয়াই অনা শিক্ষা, সম্পত্তি, উপাৰ্জনত সমঅধিকাৰ, বিবাহ বিচ্ছেদৰ অধিকাৰ, সন্তানৰ অভিভাৱকত্বৰ অধিকাৰ আৰু ভোটাধিকাৰৰ দাবী তাৰেই দীঘলীয়া কষ্টকৰ সংগ্ৰামৰ ফলশ্ৰুতিত ১৯২০ চনত পৃথিৱীৰ ২৬ খন ৰাষ্ট্ৰত নাৰীয়ে ভোটাধিকাৰ লাভ কৰিলে।[৬] ই আনিলে শৈক্ষিক ৰাজনৈতিক অধিকাৰৰ লগতে সকলোধৰণৰ কৰ্মক্ষেত্ৰত প্ৰৱেশৰ অধিকাৰ। ইয়াৰ মূলতে সমাজবাদী ৰাষ্ট্ৰ চোভিয়েট ইউনিয়ন ১৯১৭ চনত প্ৰতিষ্ঠাই নাৰীৰ অৰ্থনৈতিক সামাজিক যৌন নিয়ন্ত্ৰণ সম্পূৰ্ণ অধিকাৰ স্থাপনেৰে শিশুৰ ভৰণ-পোষণৰ দায়িত্ব ৰাষ্ট্ৰই লৈ অৰ্থনৈতিক স্ব-নিৰ্ভৰশীলতাৰে মাতৃক ঘৰুৱা অবৈতনিক ক্ষেত্ৰৰ পৰা অব্যাহতি দি সেইবোৰ শ্ৰমক ৰাজহুৱা হিচাপে ঘোষণা কৰি উচিত শ্ৰম মূল্যৰে নিৰ্দ্ধাৰিত কৰি দিয়াৰ ফলত নাৰীৰ অতিৰিক্ত শ্ৰমৰ বোজা কমি লিংগ বৈষম্যৰ উচ্ছেদ ঘটি নাৰী-পুৰুষৰ সমান অধিকাৰ প্ৰতিষ্ঠা হ'ল।[৭]

ইতিমধ্যে ১৯২৭ চনত হোৱা সৰ্বভাৰতীয় নাৰী সন্মিলনত চাংলীৰ ৰাণীয়ে দিয়া ভাষণৰ পৰা অ' মেলীয়ে (O Mally) দিয়া উদ্ধৃতি উল্লেখ কৰি ক'ব পাৰি যে— 'যি মুহূৰ্ততে কংগ্ৰেছ আৰু মহাত্মা গান্ধীয়ে কোনো জাতীয় প্ৰচেষ্টাৰ কাৰণে তেওঁলোকক আহ্বান জনাইছিল তেওঁলোকে উপলব্ধি কৰিছিল যে সিদ্ধপুৰুষজনে আৰু সৰ্বশ্ৰেষ্ঠ শক্তিটোৱে (কংগ্ৰেছ অনুষ্ঠান) তেওঁলোক পাব পৰা এপাত মূল্যবান অস্ত্ৰ হৈছিল।[৮]এই নিখিল ভাৰত মহিলা সন্মিলনে ভিন্ন শিক্ষামূলক আৰু সমাজ-কল্যানমূলক কাম কৰিছিল। ইয়াৰ ভিত্তিতেই পিছলৈ বিভিন্ন নাৰী সংগঠন নাৰীৰ ভিন্ন অধিকাৰ, লিংগ বৈষম্যৰ সামাজিক-সাংস্কৃতিক-আৰ্থিক-মনস্তাত্বিক ৰাজনৈতিক ক্ষেত্ৰবোৰৰ সংস্কাৰ সাধনেৰে কোনো কোনো ক্ষেত্ৰত বিদ্ৰোহৰে বিলুপ্তি ঘটাবলৈ আন্দোলনৰ পথ লৈ আহিছে। অৱশ্যে কংগ্ৰেছ চৰকাৰৰ দিনত পোনতে নাৰীৰ অধিকাৰ তলতীয়া সচিব, প্ৰাদেশিক বিধানসমগুলৰ

উপাধ্যক্ষ স্থানীয় পৰিষদ, নগৰপালিকা সদস্য আদি ক্ষেত্ৰতহে নিৰ্দ্ধাৰিত আছিল। [৯] পিছলৈ স্বাধীনতাৰ পৰৱৰ্তী কালত এই ৰাজনৈতিক অৱৰোধ শিক্ষিতা, উদাৰ, সক্ষম অৰ্হতাসম্পন্না, কৰ্মনিষ্ঠ, একাগ্ৰ, নিস্বাৰ্থ, সাহসী নাৰীৰ ক্ষেত্ৰতো বিভিন্ন ধৰণে ঘটি আহিছে। একক অথবা সংঘবদ্ধ প্ৰচেষ্টাৰে ৰাজনৈতিক অৱৰোধ ভাঙিবলৈ ভিন্ন ৰাজনৈতিক দলমতৰ সমৰ্থকে আগবাঢ়ি অহাৰ বাহিৰে সাধাৰণ ৰাইজৰ মাজত তেনে সংগঠিত শক্তিৰ অভাৱ দেখা যায়। অৱশ্যে পঞ্চায়ত বিধানসভা-লোকসভা, ৰাজ্যসভা, আদিত মহিলাৰ বাবে ৩৩% আসন সংৰক্ষণৰ বিষয়টোৱে ৰাজনৈতিক অৱৰোধ ভঙাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি আহিছে।

**অসমৰ ৰাজনীতিত নাৰী প্ৰৱেশ আৰু নাৰী কল্যাণ চেতনাঃ**

আহোম যুগত নাৰী অৱমাননাৰ ভিন্ন পৰিৱেশ পোৱা যায়। বিশেষকৈ ৰাজপৰিয়ালৰ ছোৱালীক অন্য ৰজালৈ মিত্ৰতাসূত্ৰে বা সন্ধিসূত্ৰে পৰাজিতজনে বিজয়ীজনলৈ ভোগাদি অন্য দ্ৰব্যৰ তালিকাৰ এটি বিশেষ দ্ৰব্য হিচাপে পঠিয়াইছিল। যৌতুকাদিৰ সম্পদৰ ভিতৰত লিগিৰীকো সেইজন বিজয়ীলৈ দান হিচাপে তেওঁৰ অনিচ্ছাত আগবঢ়াইছিল। সেইকেইগৰাকী অবলাৰ ভিতৰত কমতা ৰজাৰ জী ৰাজনী আৰু ভাজনীক আহোম স্বৰ্গদেউ চুখাংফালৈ, কোঁচ ৰজা ৰঘুদেৱে মঙ্গলদৈ নামৰ নিজ কন্যাক স্বৰ্গদেউ প্ৰতাপসিংহলৈ, জয়ধ্বজ সিংহই আহোম জীয়ৰী ৰমনী গাভৰুক ঔৰংজেৱলৈ দিয়াৰ উপৰিও তিপাম ৰজাৰ জীয়ৰীক যৌতুক হিচাপে দিয়ে। মণিপুৰ ৰজাৰ জী কুৰঙ্গনয়নীক ৰাজেশ্বৰসিংহলৈ, চন্দ্ৰকান্ত সিংহই হেমো আইদেউক মান ৰজালৈ, জয়ন্তীয়া কুঁৱৰী দুগৰাকীক কছাৰী ৰজালৈ, গৌড়ৰজাই কন্যা হাৰমতী আৰু দাৰমতীক চুহুমফা বা দিহিঙ্গীয়া ৰজালৈ, চুক্লেনমুং বা গড়াগঞা ৰজালৈ নৰা ৰাজকন্যা চাউচিং গাভৰু নৰা ৰাজকন্যা জেচুক গাভৰুক খোৱা ৰজালৈ, নগা কুঁৱৰীক গদাধৰ সিংহলৈ দিছিল।

হৰকান্ত বৰুৱাৰ অসম বুৰঞ্জীত এনেদৰে লিখা আছে , যে বৰবৰুৱা ফুকন আদি ফুকন বৰুৱাতকৈ এইসকল স্ত্ৰীৰ মৰ্যদা কিছু অধিক। এওঁলোকৰ মুৰৰ জাপিৰ আকাৰৰ সৰু, ডাঙৰ হোৱালৈ আৰু সোণৰূপৰ বনকৰা থকা নথকালৈ চাই অথবা কলপাতত বহা নবহালৈ মৰ্যদাৰো তাৰতম্য ঘটিছিল— কোনজনা তিনি ডাঙৰীয়া ঘৈণী, কোনজনা অন্যান্য ফুকন বৰুৱাৰ পত্নী।। ৰাজকুঁৱৰী, ৰাজমাতা ৰাজৰাণী সকলোৰে তেনে জেষ্ঠতা আৰু মৰ্যদাৰ ভেটিত স্থানৰ তাৰতম্য ঘটিছিল। বিশেষকৈ মেল প্ৰথাই আহোম যুগত বিকশিত গণতান্ত্ৰিক প্ৰশাসন ব্যৱস্থাকে সুচনা কৰে। নাৰীয়েও এই প্ৰথাৰে অংশীদাৰী প্ৰশাসন ব্যৱস্থাত নিজৰ স্বকীয়তা বিস্তাৰ কৰিছিল। ৰাজনৈতিক সুবিধালাভৰ ই এক প্ৰাথমিক সোপানো আছিল বুলি ক'ব পাৰি। কিন্তু দুই এগৰাকীৰ বাহিৰে সামগ্ৰিকভাৱে ই সকলো শ্ৰেণীৰ নাৰীৰে ৰাজনৈতিক অধিকাৰৰ প্ৰতিনিধিত্ব নকৰিলেও বৰকুঁৱৰীৰ ৰাইডঙ্গীয়া মেল, পৰ্বতীয়া মেল, ৰাজমাৱৰ মেল, মাহীমাকৰ মেল, মাহীমাকৰ মাহীমেল, বুঢ়ীমাকৰ এনাইঘৰীয়া মেল, ধাইমাকৰ কলিছেঙৰ মেল, ৰাজকন্যাৰ গাভৰু মেল, অন্যকুৱৰীৰৰ পুৰণি মেল, ন-মেল ইত্যাদিৰ স্থিতিৰ উল্লেখ পোৱা যায়। [১০]

অষ্টাদশ শতিকাত শিৱসিংহ ৰাজেশ্বৰ সিংহ আদি বিদ্যোৎসাহী ৰজা আৰু তেওঁলোকৰ চেষ্টাত উচ্চ শ্ৰেণীৰ জীয়ৰীসকলৰ মাজত স্ত্ৰী-শিক্ষাৰ প্ৰচাৰৰ কাৰণে ৰাজটোলত বিদ্যালয় স্থাপন কৰি দিছিল বুলি ড° ভূঞাই ৰাজেশ্বৰ সিংহ গ্ৰন্থত উল্লেখ কৰিছে। প্ৰমথেশ্বৰী অম্বিকা আৰু সৰ্বেশ্বৰী নাম বহুতো স্থাপত্য আৰু সুকুমাৰ কলাৰ সৈতে শিৱসিংহৰ লগতে জড়িত হৈ আছে। আনকি স্ত্ৰী-শিক্ষা প্ৰৱৰ্তনৰ ক্ষেত্ৰটো অম্বিকাদেৱীয়ে যত্ন লৈছিল।

ৰাজনৈতিক, প্ৰশাসনিক, শিক্ষা, কলা-সাহিত্য-সংস্কৃতি বিষয়ক আৰু অন্যান্য বিষয়ত আহোম ৰমনী আৰু দুই এক অন্য নাৰী সমসাময়িক সময়তকৈ কিছু আগবঢ়া আছিল বুলিব পাৰি। অৱশ্যে ৰাজতন্ত্ৰ আৰু হিন্দুত্বৰ শিকনিডাল প্ৰচ্চন্ন-অপ্ৰচ্ছন্ন হৈ তেওঁলোকক নিয়ন্ত্ৰণো কৰি আছিল। সেইকেইগৰাকীৰ ভিতৰত মুলাগাভৰু, জয়মতী, ফুলেশ্বৰী, বা প্ৰথমেশ্বৰী, অম্বিকা, সৰ্বশ্বেৰী ৰিঙিলী,আইদেউ, ৰাধা-ৰুক্মিনী,কুৰুঙ্গনয়নী, নুমলি ৰাজমাৱ ইত্যাদিৰো ভুমিকা উপেক্ষনীয় নহয়।

এনেদৰেই আহোম ৰাজত্বকালত নাৰীৰ দুই এটি সন্মানীয় স্থানৰ বাহিৰে অৱনমিত অৱস্থানকে সৰ্বাধিক ৰূপত পোৱা মূলতে সামন্তবাদী চৰিত্ৰ সত্ৰ আৰু ৰাজবংশত প্ৰৱাহিত হৈ থকা পূৰ্বসুৰীৰ দমনকাৰী মনস্তত্বৰে সুদুৰ প্ৰসাৰী ফলাফল।

পৰাধীন অসমত সময়ত এগৰাকী মহিলাৰ চিনাকি কাৰোবাৰ সহধৰ্মিনী, কাৰোবাৰ মাতৃ, কাৰোবাৰ বাই-ভনী-জীয়ৰী, সেই সময়ত ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ আহ্বানত আখলৰ পৰা ৰাজপথলৈ নামি পৰিছিল এই মহিলাসমাজ। সমাজৰ উচ্চ বিত্ত, মধ্যবিত্ত শ্ৰেণীৰ সম্পৰ্কীয়েই নহয়, লেখিকা হিচাপেও সমাজত সংগঠন আৰু প্ৰচাৰ কাৰ্যত দেহে-মনে সদলবলে অসমীয়া মহিলাই অংশগ্ৰহণ কৰিছিল। আন্দোলনৰ বিভিন্ন পৰ্যায়ত বিভিন্ন কাৰ্যসূচীত মহিলাৰ অভিনৱ সঁহাৰিয়ে নেতৃস্থানীয় বহু লেখিকাক অনুপ্ৰাণিত কৰিছিল, কাপৰ পৰা নিগৰিছিল ঔপনিৱেশিক শোষণ আৰু পৰম্পৰাগত পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ পোহনীয়া নাৰী মৰ্যাদা আৰু সম-অধিকাৰ বিৰোধী ফচলসমূহৰ বিৰুদ্ধে প্ৰতিবাদ। স্ত্ৰী- শিক্ষা, স্ত্ৰী- স্বাধীনতা, স্ত্ৰী- স্বাস্থ্য, স্ত্ৰী- শ্ৰম, গৃহশ্ৰমৰ মূল্য নিৰ্ধাৰণ, বাল্য- বিবাহ ৰোধ, বিধৱা- বিৱাহৰ প্ৰচলন, পৰ্দা বা ওৰণি লোৱা প্ৰথা লোপ, ৰাগিয়াল দ্ৰব্যৰ নিবাৰণ, খাজনা-শোষণৰ বিৰোধিতাৰ লগতে স্বৰাজ আন্দোলনৰ অন্যান্য অসহযোগ আৰু সংস্কাৰমূলক কাৰ্য— পিকেটিং কৰা, ঘৰে ঘৰে গৈ বুজনি দিয়া আদি সক্ৰিয় অংশগ্ৰহণ আদিয়ে ভিন্ন লেখনি, কবিতা, গল্প, উপন্যাস, নাট প্ৰবন্ধ, আলোচনা আদি সাহিত্য আৰু কৰ্মসুচীৰ মূল বিষয় হৈ পৰিছিল।

এনে ভিন্ন কৰ্মসূচীৰ আহ্বানত কবি নলিনীবালা দেৱী আৰু ঔপন্যাসিকা স্নেহলতা ভট্টাচাৰ্যই পোনতে নেতৃত্ব দিবলৈ আগুৱাই আহিল। পিছলৈ ইয়াক শক্তিশালী আৰু বহল প্ৰসাৰী কৰে সাহসী নেত্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে। গান্ধীজী অহাৰ সময়তে হোৱা বস্ত্ৰমেধ যজ্ঞৰ পৰাই অসমত মহিলাৰ আৰ্থিক স্বাৱলম্বিতাৰ আঁচনি খাদী বস্ত্ৰৰ উৎপাদন কাৰ্যৰ শুভাৰম্ভ হ'ল।[১১] ইতিমধ্যে ১৯১৫ চনত 'ভাৰত স্ত্ৰী মহামণ্ডল' গঠিত হোৱাৰ পাঁচ বছৰৰ পিছতে ডিব্ৰুগড়ত অসমৰ প্ৰথম মহিলা অনুষ্ঠান 'ডিব্ৰুগড় মহিলা সমিতি' গঠন হয় প্ৰসিদ্ধ লেখিকা সংগঠক হেমপ্ৰভা দাসৰ উদ্যোগত।[১২] ইয়াৰ অনুপ্ৰেৰণাত অন্যান্য ঠাইতো ভিন্ন দাবীৰে ভিন ভিন মহিলা সমিতি গঠন হয়। ১৯২৬ চনত বিদ্ৰোহিনী

চন্দ্ৰপ্ৰভাৰ নেতৃত্ব আৰু কৰ্মোদ্যোগত প্ৰতিষ্ঠা হয় ধুবুৰীত ‘অসম মহিলা সমিতি’ বা ‘প্ৰাদেশিক মহিলা সমিতি’ৰ। ১৩

সমকালীন অসমৰ ৰাজনৈতিক জাগৰণৰ ক্ষেত্ৰখন পৰ্যবেক্ষণ কৰিলে দেখা যায় উচ্চবিত্ত সমাজখন ৰাজনীতিৰ পৰা পৰাপক্ষত আঁতৰি আছিল। নিম্নবিত্ত আৰু ছাত্ৰসকলেহে মূলতঃ আন্দোলনৰ চালিকা শক্তি আছিল। হেম বৰুৱা, চন্দ্ৰনাথ শৰ্মা, কৃষ্ণ শৰ্মা, অমিয় কুমাৰ দাস, বিষ্ণু ৰাভা, জ্যোতিপ্ৰসাদ আদিয়ে আন্দোলনটিক সাৰ্থক কৰাত প্ৰধান সহায়ক আছিল বাবেই ই জনমুখী হৈছিল। অৱশ্যে অন্যান্য সামাজিক-সাংস্কৃতিক কাৰ্যত উচ্চ বিত্তসকলৰ যোগদান প্ৰভাৱশালী আছিল। মধ্যবিত্ত শ্ৰেণীৰ নাৰীৰ যোগদান সৰ্বাত্মক নাছিল যদিও যি কেইগৰাকী আগবাঢ়ি আহি ৰাইজৰ লগত চামিল হৈছিল তেওঁলোকৰ স্বপ্ন আছিল পৰম্পৰাগত নাৰীৰ অৱস্থানতে থাকি নাৰী কল্যাণৰ চেতনা, যি স্বাধীনতা লাভৰ লগে লগে আহিব বুলি গভীৰ বিশ্বাসেৰে পোষিত হৈছিল। যি মুহূৰ্ততে কংগ্ৰেছ আৰু মহাত্মা গান্ধীয়ে কোনো জাতীয় প্ৰচেষ্টাৰ কাৰণে তেওঁলোকক আহ্বান জনাইছিল তেওঁলোকে উপলব্ধি কৰিছিল যে সিদ্ধপুৰুষজনে আৰু সৰ্বশ্ৰেষ্ঠ শক্তিটোৱে (কংগ্ৰেছ অনুষ্ঠানে) তেওঁলোকৰ ওচৰত তেওঁলোকে পাব পৰা এপাট মূল্যৱান অস্ত্ৰ হৈছিল। এহাতেৰে তেওঁলোকে শান্তিপূৰ্ণ প্ৰতিৰোধ আৰু আনহাতেৰে ভোটাধিকাৰ গ্ৰহণ কৰিছিল[১৪]।

বন আইন ভংগ কৰা সংগ্ৰামেৰে হাজোতবাস খটা চন্দ্ৰপ্ৰভাই স্বাধীনতা আন্দোলনৰ ভিন্ন কাৰ্যসূচীত নেতৃস্থানীয় ভূমিকা অৱলম্বন কৰি অগ্নিবৰষা কণ্ঠে জাতিভেদ প্ৰথা, অসবৰ্ণ বিবাহত উৎসাহদান, অস্পৃশ্যতা বৰ্জন, হৰিজন নাৰীৰ মন্দিৰত প্ৰৱেশ, বাল্য বিবাহ ৰোধ, স্ত্ৰী শিক্ষা, পৰ্দা প্ৰথাৰ উচ্ছেদ, মাতৃ আৰু শিশু মংগল কাৰ্য, খাদী আৰু কুটিৰ শিল্পৰ প্ৰসাৰ, নিম্ন বৰ্গ দলিতৰ লগতে পতিতাকো মানুহৰ শাৰীত থ'বলৈ আহ্বান, সাৰদা আইন লংঘনকাৰীৰ বিৰুদ্ধে থিয় দিয়া আদিকৈ ভিন্ন নাৰী জাগৰণমূলক কাৰ্যসূচীৰে অধিকাৰ প্ৰতিষ্ঠা কৰাত আগভাগ লৈছিল।এনেবোৰ অনুষ্ঠানৰ ৰাজনৈতিক গণ্ডী আছিল কংগ্ৰেছ নেতৃত্ব আৰু দলীয় আদৰ্শৰ পৰিসীমা। আনহাতে সমাজবাদী আন্দোলনৰ লগত জড়িত ভিন্ন মহিলা সংগঠনসমূহৰ নেতৃত্বত নাৰীৰ সমঅধিকাৰৰ দাবী শৈক্ষিক-ব্যৱসায়িক, ৰাজনীতি, সমাজনীতি আৰ্থিক সৰ্বস্তৰতে স্ব-নিৰ্ভৰশীলতা গঠনেৰে নাৰীমুক্তিৰ সম্ভাব্য দিশসমূহ বিকশাই তোলাৰ প্ৰযত্ন লক্ষণীয়। অবিভক্ত বংগদেশত মহিলা আত্মৰক্ষা সমিতি, দক্ষিণ ভাৰতত অন্ধ্ৰ মহিলা, সংঘ আদিৰ সমাজতান্ত্ৰিক আদৰ্শ আৰু শ্ৰেণী আদৰ্শই শ্ৰমিক, কৃষক, ছাত্ৰ আৰু মজলীয়া শ্ৰেণীবোৰৰ নাৰীসকলৰ মাজত প্ৰসাৰতা লাভ কৰি ১৯৪৫ চনত গণতান্ত্ৰিক নাৰী সংঘ WIDF গঠিত কৰে[১৫]।

স্বাধীনতা আন্দোলনতকৈ কৃষক-শ্ৰমিক মুক্তি আন্দোলনত এওঁলোকৰ ভূমিকা প্ৰধান সাহাৰ্যকাৰী ৰূপতে আছিল। অৱশ্যে স্বাধীনোত্তৰ যুগত সাংগঠনিক দক্ষতাৰে সামাজিক মুক্তিৰ প্ৰচেষ্টাত নাৰীমুক্তিকো সমানে গুৰুত্ব দি ভিন্ন ৰাজনৈতিক-আৰ্থসামাজিক ক্ষেত্ৰত সংবিধান প্ৰদত্ত অধিকাৰ ৰক্ষণাবেক্ষণ আৰু সমঅধিকাৰ দাবী তুলি আহিছে। প্ৰাক-স্বৰাজযুগত সি তেনে জোৰদাৰ নাছিল যিদৰে অসম প্ৰাদেশিক মহিলা সমিতি অধিক কৰ্মমুখী আছিল যদিও বা সমাজবাদী আদৰ্শ কংগ্ৰেছী নীতি নিৰ্দ্দেশনাৰে সি চালিত আছিল।

**ভাৰতৰ ৰাজনৈতিক প্ৰেক্ষাপটত অসম ঃ**

মহাফেজখানাত তেনে কোনো দলিল নাই, সংখ্যাতাত্ত্বিক হিচাপো নাই যাৰ মাপকাঠিত আমি ৰাজনীতিত অংশগ্ৰহণ আৰু সামাজিক চেতনা লাভ এই দুয়োৰে মাজত নাৰীসকলৰ চেতনাৰ স্তৰ কিভাৱে বিকশিত হ'ল, তাৰ জোৰদাৰ প্ৰমাণ দিব পাৰি। তথাপি পৰোক্ষ প্ৰমাণ যথেষ্ট আছে। বহু নাৰীয়ে সমান দৃঢ়তাৰে ব্ৰিটিছ চৰকাৰৰ বিৰুদ্ধে আৰু সামাজিক অন্যায়ৰ বিৰুদ্ধে যুঁজিছে।[১৬]

গৃহকৰ্মত নাৰীৰ ভূমিকা এই সময়ছোৱাত অস্বীকাৰ কৰা হোৱা নাছিল, কিন্তু নাৰীৰ জীৱনত মা বা পত্নী হোৱাই যে চৰম পূৰ্ণতা আনি দিব এইকথা আৰু মনা হোৱা নাছিল। কাৰণ বাৰে বাৰে কোৱা হৈছে যে মাতৃভূমিৰ প্ৰতিও নাৰীৰ এটি ডাঙৰ দায়িত্ব আছে। তদুপৰি নাৰীসকল পুৰুষতকৈ নিকৃষ্ট, এই ধাৰণা পিছুৱাবলৈ আৰম্ভ কৰিলে। কাৰণ নাৰীসকলে প্ৰমাণ কৰিছিল যে তেওঁলোক 'কাপুৰুষ' নহয়, তেওঁলোকেও পুৰুষৰ সমানেই কঠিন যুঁজ কৰিব পাৰে।[১৭] অৱশ্যে সমাজবাদী আন্দোলনৰ লগত জড়িত হৈ নাৰীমুক্তি আন্দোলন প্ৰাক-স্বৰাজ যুগৰে পৰা আগুৱাই আহিছিল স্বৰাজোত্তৰ যুগলৈ ভিন্ন সংগঠনৰ মাধ্যমেদি সমাজ মুক্তিৰে নাৰীমুক্তি অহাৰ আদৰ্শৰে।

'আনকি অতি নিম্নস্তৰৰ নাৰীও, নিৰক্ষৰতা আৰু দৰিদ্ৰতাৰ বাধা সত্বেওতেওঁলোকৰ অধিকাৰ সম্পৰ্কে সচেতন হৈ উঠিছিল। শ্ৰমিক আৰু কৃষক শ্ৰেণীৰ হাজাৰ হাজাৰ নাৰীয়ে ধৰ্মঘট, সংগ্ৰামত, ৰাজপথত বিক্ষোভ প্ৰদৰ্শনত আৰু সন্মিলনত অংশ লৈছিল। তেওঁলোকৰ ৰাজনৈতিক সচেতনতাৰো বিকাশ ঘটিছিল আৰু জাতীয় ৰাজনৈতিক সংগঠনকৰ্মী সংঘ আৰু কৃষকসভা আদিৰ সদস্যা হৈছিল। মন কৰিব লগীয়া যে এই সংঘবোৰৰ উদ্দেশ্য কেৱল এখন স্বাধীন ভাৰতেই নাছিল, এখন স্বাধীন সমাজবাদী ভাৰতো আছিল।[১৮]

ঘৰ আৰু সমাজৰ বাধা অতিক্ৰম কৰিও প্ৰাক-স্বৰাজ কালৰ নাৰীয়ে 'সকলো ধৰণৰ জাতীয় আন্দোলনৰ সুঁতিতেই গান্ধীবাদীৰ পৰা সমাজবাদীলৈ, সমাজবাদীৰ পৰা কমুনিষ্টলৈ , কমুনিষ্টৰ পৰা বৈপ্লৱিক সশস্ত্ৰ সংগ্ৰামলৈ অংশগ্ৰহণ কৰিছিল।

কৃষক আন্দোলনত আৰু ট্ৰেড ইউনিয়নৰ সংগ্ৰামতো তেওঁলোক আছিল। তেওঁলোকক পোৱা গৈছিল ভিন্ন নাৰী সংগঠনসমূহত যেনে— All India Women Conference, ১৯২৬ চন'তো গুৰুত্বপূৰ্ণ যোগদানেৰে।[১৯]

কংগ্ৰেছৰ বাহিৰতো সন্ত্ৰাসবাদী আৰু বামপন্থী যিবোৰ দল গঢ়ি উঠিছিল, সেইবোৰতো বহুতো নাৰী সক্ৰিয় সভ্য আছিল, বহুতে গোপনে গোপনে এইবিলাক দলৰ কাৰ্যকলাপ আৰু আন্দোলনবোৰক সাহায্য কৰিছিল। ....... ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ লগে লগে ট্ৰেড ইউনিয়ন আন্দোলনৰো বৃদ্ধি হৈ আহে। ট্ৰেড ইউনিয়নবোৰত নাৰী মজুৰসকলো সভ্য হয় আৰু ধৰ্মঘট আদিত অংশগ্ৰহণ কৰে। কিন্তু শ্ৰমিক নাৰীসকলৰ কোনো সুকীয়া সংগঠন গঢ়ি উঠা নাছিল।

কুঁৰি শতিকাৰ তৃতীয় দশকৰ পৰাই ভাৰতত কমিউনিষ্ট পাৰ্টি আৰু অন্যান্য বামপন্থী দল কিছুমান গঢ়ি উঠে। এই দলবোৰতো কিছুসংখ্যক নাৰীয়ে আহি যোগ দিবলৈ ধৰে। কৃষক সংগঠন আৰু ঠায়ে ঠায়ে কৃষক বিদ্ৰোহো হ'বলৈ ধৰে, কৃষক নাৰীসকলৰ কিছুসংখ্যকে এই আন্দোলনবোৰত যোগ দিছিল। কিন্তু তেওঁলোকৰ কোনো সুকীয়া অনুষ্ঠান গঢ়ি উঠা নাছিল।[২০]

স্বাধীনোত্তৰ ভাৰতত নাৰী সংক্ৰান্ত বিষয়ত ৰাজনৈতিক দলৰ মহিলা সংগঠন আৰু তৃণমূল পৰ্যায়ৰ আন্দোলনবোৰে মাত মাতিছিল। বিশেষকৈ লিংগ বৈষম্যজনিত অন্যায় যেনে যৌতুকজনিত মৃত্যু, ধৰ্ষণ আৰু মদ্যপানজনিত অপৰাধসমূহৰ ক্ষেত্ৰত। সত্তৰৰ পৰা নব্বৈ দশকলৈ হোৱা ভিন্ন আন্দোলনে কেতিয়াবা আঞ্চলিক ভিত্তিত বা বহলভিত্তিত আৰু কেতিয়াবা জনজাগৰণৰ উচ্চ পৰ্যায়লৈ ধাৱিত হৈছিল।[২১]

স্বাধীনোত্তৰ কালত বহু ৰাজনৈতিক দল বিভিন্ন দিশলৈ গতি কৰা বাবে নাৰী আন্দোলন ক্ষতিগ্ৰস্ত আৰু বহুধা বিভক্ত হ'ল। বহু নেত্ৰীয়ে চৰকাৰী ব্যৱস্থাৰ দ্বাৰা নাৰী উন্নয়নৰ প্ৰচেষ্টাত ব্ৰতী হ'ল। ১৯৫৪ চনত কমিউনিষ্ট নাৰীসকলে All India Women Conference, ত্যাগ কৰি National Federation of Indian women গঠন কৰিলে। যি বহল ভিত্তিত ঐক্যবদ্ধ মহিলা সংগঠনৰ ঠাইত পাৰ্টিৰ গণ্ডীভুক্ত সংগঠন হৈ পৰিল। পঞ্চাশ আৰু ষাঠীৰ দশকত নাৰী সংগ্ৰামৰ বেছি প্ৰমাণ পোৱা নাযায়। যিয়ে দেখুৱায় সত্তৰৰ দশকৰ আগলৈ স্বৰাজ পৰৱৰ্তী নাৰী আন্দোলন জোৰদাৰ নাছিল যদিওবা সংগ্ৰামী সাংগঠনিক কাম-কাজ চলি আছিল।[২২]

কৃষক, জনজাতীয় আন্দোলন, ট্ৰেড ইউনিয়ন আৰু পৰিৱেশ আন্দোলনত নাৰীৰ ভূমিকা গুৰুত্বপূৰ্ণ আছিল। ১৯৪৬-৪৭ চনৰ বেংগলৰ তেভাগা কৃষক বিদ্ৰোহ, ১৯৪৬-১৯৫০ চনলৈ, হায়দৰাবাদৰ তেলেংগানা কৃষক বিদ্ৰোহত নাৰী সংগঠনসমূহৰ প্ৰভাৱ অনস্বীকাৰ্য। নাৰী বিষয়ক ঘটনাত যেনে মাৰধৰ কৰা জাতীয় সমস্যাত নেতৃবৃন্দই মনোযোগ দিলেও ইবোৰৰ বাবে নাৰীৰ সুকীয়া সংগঠন উদ্ভৱ

হোৱাৰ কোনো প্ৰমাণ পোৱা নাযায়।[২৩] সেয়ে কোৱা হয়— 'Women were discouraged from joining the guerilla force and, when they did succeed in joining, felt they were not totally accepted. Communist women in other areas also complained later that they were slrongly encouraged to marry men comrade and edjed into working onthe 'Women's front', rather than integrated into the leadership as memers in their own right.[২৪]

কিন্তু ষাঠীৰ শেষ আৰু সত্তৰৰ দশকত কমিউনিষ্ট আৰু সমাজবাদী মহিলা সংগঠনে নক্সাল সংগ্ৰাম, জেপি আন্দোলন, চিপ্‌কো আন্দোলন, মূল্যবৃদ্ধিৰ বিৰুদ্ধে আন্দোলন শক্তিশালীভাৱে চলাই গৈছিল।[২৫] পিছলৈ যৌতুক, ধৰ্ষণ, সতীযোৱা, মাদক দ্ৰব্য বিৰোধী আন্দোলন, নাৰীৰ প্ৰতি অন্যায়-অত্যাচাৰজনিত আন্দোলন, ভিন্ন ৰাজনৈতিক,অৰাজনৈতিক, সামাজিক সংগঠনসমূহৰ সৰ্বাত্মক সহযোগ আৰু সক্ৰিয় আইন উদ্যোগেৰে স্বীকৃতিপ্ৰাপ্তি নোহোৱালৈ চলি আহিছে। ভোটাধিকাৰৰ দাবীৰ বহু বছৰৰ পিছত পঞ্চায়ত পৰ্যায়ৰ পৰা লোকসভালৈ ৩৩ শতাংশ

আসন মহিলাৰ বাবে সংৰক্ষণৰ বিষয়টোৱে সাম্প্ৰতিকলৈ এক অনন্য মৌলিক অধিকাৰৰ দাবীৰে প্ৰায়বোৰ দলীয় আৰু কমিউনিষ্ট নাৰী সংগঠনসমূহে আগবঢ়াই আহিছে। যদিও ই চৰকাৰ প্ৰতিষ্ঠা কৰা দলবোৰৰ ৰাজনৈতিক স্বাৰ্থপূৰণৰ হাতিয়াৰ হৈ আহিছে।

**প্ৰসংগ ঃ**

১। দেশাই এ আৰ, .................................., পৃঃ ২৯৩

২। চট্টোপাধ্যায় ৰত্নাৱলী,নিয়োগী গৌতম, সম্পাদক, ভাৰত ইতিহাসে নাৰী, পৃঃ ৫৯,কলকাতা ,১৯৮৯

৩।পূৰ্বোক্ত, পৃঃ ৪৯

৪।শৰ্মা দীপ্তি ,মুক্তি যুঁজত লুইতপৰীয়া নাৰী ;পৃঃ ৫০, গুৱাহাটী,১৯৯৫

৫।চট্টোপাধ্যায় ৰত্নাৱলী, নিয়োগী গৌতম, পূৰ্বোক্ত , পৃঃ ৪৯

৬।পূৰ্বোক্ত

৭।শৰ্মা দীপ্তি , পূৰ্বোক্ত

৮। পূৰ্বোক্ত

৯।দেশাই এ আৰ , পূৰ্বোক্ত , পৃঃ ২৯২

১০। সম্পাদক, গোহাই হীৰেণ - 'নতুন পদাতিক' অক্তোবৰ সংখ্যা ২০০৩, মধ্যযুগত অসমীয়া নাৰীৰ সামাজিক অৱস্থান' — শৈলেন বৰকটকী, পৃঃ ৯০
১১।প্ৰাগোক্ত
১২। শৰ্মা দীপ্তি ,পূৰ্বোক্ত ,পৃঃ ৩৬
১৩। পূৰ্বোক্ত ,পৃঃ ৬
১৪। পূৰ্বোক্ত ,পৃঃ ৫৩
১৫। দেশাই এ আৰ ,পূৰ্বোক্ত , পৃঃ ২৯৩
১৬। ঊমা, সমাজ সভ্যতা আৰু নাৰী,পৃঃ ৯০, নামৰূপ, ১৯৮১
১৭। চট্টোপাধ্যায় ৰত্নাৱলী, নিয়োগী গৌতম , পূৰ্বোক্ত , পৃঃ ৫৯
১৮। পূৰ্বোক্ত , পৃঃ ৫৮
১৯। দেশাই এ আৰ , পূৰ্বোক্ত , পৃঃ ২৯৩
২০। Chandra Bipan, Mukharjee Mridula, Mukharjee Aditya - India after Independence 1947-2000 ,p.451, New Delhi,110017
২১।ibid,P-453
২২।ibid
২৩।ibid
২৪।ibid- p.454
২৫।ibid

প্ৰবন্ধকাৰঃ সহযোগী অধ্যাপিকা, মুৰব্বী, অসমীয়া বিভাগ দমদমা মহাবিদ্যালয়
ই-মেইল ঃ sabitrysaikia@gmail.com